অন্নদা সাহিত্য মন্দিৰৰ

শিশু-সাহিত্য-চিৰিজ

দ্বিতীয় কিতাপ

ৰ
ণ
***
প্ৰ
তা
প

গুৱাহাটী বেচ—।৵০

১৮৫৩

শ্ৰীযুক্ত বিপিনচন্দ্ৰ বৰুৱা বি-এ, সম্পাদিত

উছৰ্গা

যাৰ সহানুভূতিয়ে আৰু অকৃত্ৰিম মৰমে
মোৰ এই নিৰাশ প্ৰাণত আশাৰ সঞ্চাৰ
কৰিলে, সেই মোৰ পৰমবন্ধু শ্ৰদ্ধাস্পদ
শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী
"খুৰাদেউ"ৰ হাতত এই
কিতাপ অৰ্পণ কৰিলোঁ।।

শ্ৰীবিপিন

পাতনি

আমাৰ 'ৰাণা প্ৰতাপ'ৰ উদ্দেশ্যে প্ৰতাপৰ বীৰত্বৰ ফালটো মাথোঁ আমাৰ লৰাৰ আগত ডাঙ্গি ধৰা; তেওঁৰ সম্পূৰ্ণ জীৱনী নহয়। সেই কাৰণে প্ৰতাপ কোন শকত উপজিছিল, কোন শকত মৰিছিল, সৰুতে কি ধেমালি কৰিছিল এইবোৰৰ একোৱেই এই কিতাপত নাই। আশা কৰোঁ আমাৰ উদ্দেশ্য বুজি আমাৰ সহৃদয় পাঠকসকলে আমাৰ এই ত্ৰুটী মাৰ্জ্জনা কৰিব।

লিখক

GOVERNMENT OF ASSAM
Call No. 665
DISTRICT LIBRARY.

ৰাণা প্ৰতাপ

এক

"গুৰুম, গুৰুম, গুম।" দিল্লীৰ বাদছাহ আকবৰৰ তোপ মেৱাৰ দেশৰ দুৱাৰমুখত গৰ্জ্জি উঠিল। যেতিয়া গোটেই ভাৰতবৰ্ষেই দিল্লীৰ বাদছাহক আটাইতকৈ ডাঙৰ ৰজা বুলি মানি চলিছিল, এই সৰু দেশখনে অকলে সেই ৰজাৰ বিৰুদ্ধে থিয় দি উঠিছিল; মেৱাৰৰ সেয়ে দোষ। সেইবাবেই আজি দিল্লীৰ বাদছাহে তেওঁৰ সৈন্যবোৰক হুকুম দি দিছে মেৱাৰ ৰাজ্য ধ্বংস কৰি দিব লাগে। আৰু তাৰ ফলতে আজি মেৱাৰৰ ঘৰে ঘৰে কান্দোনৰ ৰোল।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

মেৱাৰ আছিল ৰাজপুতনাৰ এখন সৰু দেশ, আৰু মেৱাৰৰ ৰজা আছিল তেতিয়া উদয়সিংহ। উদয়সিংহ আছিল ভয়াতুৰ; আকবৰৰ সৈতে যুদ্ধ কৰিবলৈ ভয় কৰিলে। নিজৰ ৰাজধানী চিতোৰ শত্ৰুক এৰি দি নিজে গৈ এখন নতুন ৰাজধানী পাতি বহি থাকিলগৈ। এই নতুন ৰাজধানী খনৰ নাম হ'ল উদয়পুৰ।

মেৱাৰৰ প্ৰজাবোৰো কিবা হৈ পৰিল। এনেই সিহঁতৰ সাহ আৰু বল কম নাছিল কিন্তু ভয়াতুৰ ৰজাৰ তলত পৰি সিহঁতো অকা মিলা হৈ পৰিল। এনেকুৱা মানুহৰ দৰে আশা-ভৰসা সকলোখিনি ঈশ্বৰৰ হাতত এৰি দি সিহঁতেও হাত সাবটি চাই থাকিল;—যেন ঈশ্বৰে নিজে নামি আহি সিহঁতক ৰক্ষা কৰি যাবহি। চাৰণবিলাকেও কত গান গালে সিহঁতক উদগাই উদগাই কিন্তু সিহঁতৰ আৰু

গা নুঠিল। সিহঁতে কয়, কি হব হে বুজিলে?—এইকিটা মানুহে কি ৰখাবা আকবৰক? আমি মিছাকৈয়ে মৰিব নোৱাৰোঁ। চাৰণবোৰে আৰু কি কৰিব?—বেজাৰ মনেৰে গুচি যায়। যাওঁতে গাই যায়ঃ—

আজিও তইঁতে নুবুজ নুশুন আজিও
কথাত নিদিয় কাণ,
নুঠিলে তইঁত কোনেনো ৰখাব এইহেন
আমাৰ মাতৃৰ মান।

চাৰণৰ গান শুনি যি কিজনৰ দেশলৈ মৰম আছিল তেওঁলোকে চকুৰ পানী টোকে।

এনেকৈয়ে দিন গৈ আছিল।

দুই

চিতোৰ এৰি দিব লগীয়া হোৱাৰ পিচত উদয়সিংহ বেচি দিন জীয়াই নাছিল। তিনি বছৰ যাওঁতে নাযাওঁতেই মেৱাৰৰ প্ৰজাই

আকৌ নতুন ৰজা বৰণ কৰিবলগীয়াত পৰিল।

উদয়সিংহই নিজে ৰজা পাতি থৈ গৈছিল মৰমৰ পুতেক শক্তক। কিন্তু শক্তও আছিল বাপেকৰে দৰে ভয়াতুৰ। মেৱাৰৰ প্ৰজাইতো ভয়াতুৰক ৰজা পাতিব নোখোজে গতিকে তেওঁলোকে ধৰি ৰজা পাতিলে উদয়সিংহৰে অইন এজন পুতেক প্ৰতাপসিংহক।

প্ৰতাপ ৰজা হৈ দেখে তেওঁৰ ৰাজ্যৰ ৰাজধানী চিতোৰ দিল্লীৰ বাদছাহৰ হাতত; তেওঁৰ বন্ধু-বান্ধব, জ্ঞাতি-কুটুম্ব প্ৰায়বোৰেই এতিয়া নিজক আকবৰৰ তলতীয়া ৰজা বুলি স্বীকাৰ কৰিছে। যুদ্ধৰ সজুলিও তেওঁৰ নিচেই কম; মানুহবোৰো কিবা নিস্তেজ হৈ পৰিছে। অইন মানুহ হলে এইবোৰ দেখি বাদছাহৰ লগত যুজ কৰিবলৈ আগ বাঢ়ক চাৰি নিজে গৈ আকবৰৰ তলতীয়া ৰজা হৈ থাকিবলৈ

সম্মত হৈ আছিলহেঁতেন। কিন্তু মনৰ বল আছিল প্ৰতাপৰ যথেষ্ট আৰু দেশলৈকো আছিল তেওঁৰ হিয়া ভৰা চেনেহ। তেওঁ ৰজা হৈয়েই সকলোকে জানিবলৈ দি দিলে, তেওঁৰ গাত এটোপা তেজ থাকেমানে যি দেশৰ পানী খাই তেওঁ জী আছে, যি দেশৰ শস্য খাই তেওঁ বাঢ়িছে, সেই দেশ দিল্লীৰ বাদছাহক এৰি নিদিয়ে, তেওঁ যুদ্ধ কৰিব, তেওঁ নপলায়। তেওঁৰ কথা শুনি মেৱাৰৰ ইমূৰৰ পৰা সিমূৰলৈকে ধন্য ধন্য পৰি গ'ল। চাৰণবোৰে তেতিয়া আনন্দত গাবলৈ ধৰিলে :—

শত্ৰুৰ গৰ্ব্ব, কৰিম খৰ্ব্ব
ৰাখিম আমাৰ মাতৃৰ মান।
জনম ভূমিৰ জয় বুলি ভাই
ধৰা হাতত বৰ্ষা বাণ।

চাৰণৰ গান শুনি মেৱাৰৰ বীৰসকলৰ

প্ৰাণ নাচি উঠিল। লৰা, বুঢ়া, ডেকা, আদ- হীয়া সকলোৱে গৰ্জ্জি উঠিল, যুদ্ধ কৰিম, যুদ্ধ কৰিম।

তিনি

কথা গৈ অলপদিনৰ ভিতৰতে বাদছাহ আকবৰৰ কাণ পালেগৈ। কথা শুনি আক বৰ আচৰিত। "কি সাহ! পলৰীয়া উদয় সিংহৰ পুতেক সি, সি মোৰে যুজিব খোজে!" মানুহ এটাক পঠাই দিলে খবৰ লবলৈ. কথাটো সচানে মিছা। তেওঁৰ তেতিয়াও বিশ্বাস হোৱা নাছিল প্ৰতাপে তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাহ কৰিব পাৰে। মানুহটো উলটি আহি কলেহি, শুনা কথা সকলো সচা। তেতিয়া আৰু আকবৰৰ নিচিনা ডাঙৰ আৰু সাহী ৰজা এজন এনেই বহি থাকি বনে? তেওঁ হুকুম দিলে, মেৱাৰ ধ্বংস কৰি

কৰা মানুহক ঘিণ কৰিছিল, আৰু কেতিয়াও সিহঁতৰ সৈতে একেলগে খোৱা-বোৱা নকৰিছিল। সিহঁতৰ সেইটো এটা ডাঙৰ আক্ৰোশ আছিল আৰু সেই আক্ৰোশ পূৰাবলৈ পোৱাৰ আশাতেই আজি সিহঁত আনন্দত মতলীয়া হৈ উঠিছিল। আৰু প্ৰতাপৰ এই বিপদত আটাইতকৈ বেছিকৈ আনন্দ অনুভব কৰিছিল মানসিংহ আৰু মহাবতে। মানসিংহ আছিল অমৰৰ ৰজা আৰু আকবৰৰ এজন ওচৰ-সম্বন্ধীয়া মানুহ আৰু মহাবৎ আছিল প্ৰতাপৰে এজন ভায়েক সগৰসিংহৰ পুতেক। প্ৰতাপসিংহই এওঁবিলাক দুজনকে ঘিণ কৰিছিল, শত্ৰুৰ সৈতে যোগ দিয়া বাবে আৰু দেশৰ ভাইৰ বিৰুদ্ধে তৰোৱাল চলোৱা বাবে। আজি সুবিধা পাই তেওঁলোকেও সেই ঘিণৰ প্ৰতিশোধ লবলৈ ওলাইছে। তেওঁলোকৰ

ইচ্ছা প্ৰতাপৰ গৰ্ব্ব খৰ্ব্ব কৰিব তাৰ পিচত মেৱাৰ ৰাজ্য শ্মশান কৰি তুলিব। মানুহৰ হিয়াত যেতিয়া হিংসা আৰু অভিমান সোমায় মানুহ তেনেকুৱাই হয়—তেতিয়া আৰু সিহঁতৰ কোনটো ভাল কোনটো বেয়া ভাবিবৰ সময় নাথাকে।

পাঁচ

ইফালে প্ৰতাপে কৰিলে কি, হুকুম দি দিলে, ইয়াত কোনো থাকিব নোৱাৰা। সকলোৱে ঘৰ-বাৰী পুৰি মোৰ লগত থাকিবগৈ লাগিব। যদি ইয়াত কাৰবাক পাওঁ তাক বধ কৰা হব। প্ৰতাপে এনে হুকুম দিয়াৰ মানে হৈছে শত্ৰুৱে যাতে মেৱাৰৰ প্ৰজাবোৰৰ ওপৰত অত্যাচাৰ কৰিবলৈ সুবিধা নাপায় তাৰে দিহা কৰা। ভাত খোৱা বস্তু নাপালে আৰু থাকিবলৈ ঘৰ নাপালে। শত্ৰুও অলপ অসুবিধাত পৰিব।

তেতিয়া মেৱাৰৰ মানুহবোৰ ঘৰ-বাৰী এৰি প্ৰতাপৰ লগত যাবলৈ সাজু হ'ল। এইদৰে নিজৰ ঘৰ-বাৰী এৰি গুচি যোৱাটো যে কিমান দুখৰ কি কম; কিন্তু কি কৰিব উপায়তো নাই।

যেতিয়া আটাইবোৰ মানুহ ওলাই ল'লে তেতিয়া প্ৰতাপে চাৰণবোৰক হুকুম দিলে, তোমালোকে এতিয়া গান ধৰা—এনে গান ধৰা যি গানে মোৰ প্ৰজাবোৰৰ হিয়াত দেশলৈ মৰম জগাই দিয়ে। তেতিয়া চাৰণবোৰে গাবলৈ ধৰিলেঃ—

অ' মোৰ মৰমৰ দেশ,
অ' মোৰ ধুনীয়া দেশ,
এনেখন শুৱনি,
এনেখন লৰণি,
এনেখন মৰমৰ দেশ।

অ' মোৰ মেৱাৰ আই,
অ' মোৰ জনমা ঠাই,
চাই লওঁ তোমাৰ
মু'খনি এবাৰ
হেপাহ মোৰ পলোৱা নাই ।*

গান এনেদৰে গালে যে প্ৰত্যেক মেৱাৰ-বাসীৰ চকুৰ পৰাই পানী বাগৰি পৰিল। কলে, সচাকৈয়ে আমাৰ নিচিনা দেশ আৰু কাৰ আছে ? কিন্তু তাৰ পিচতে যেতিয় পূৰ্ব্বপুৰুষসকলৰ বীৰত্ব বৰ্ণাবলৈ ধৰিলে :—

আমাৰেহে সেই ভগবান ৰাম† কৰিলে
তাহানি লঙ্কা জয়.

* শ্ৰদ্ধাস্পদ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়াৰ "অ' মোৰ আপোনাৰ দেশ"ৰ প্ৰসিদ্ধ গানটিৰ সালসলনি কৰি দিয়া হৈছে ।

† ৰাজপুতবাসীসকলৰ বহুতে নিজক ৰামচন্দ্ৰৰ বংশধৰ বুলি চিনাকী দিয়ে ।

বাপ্পাই সমৰে কপালে পৃথিবী কৰিলে,
আমাৰ শত্ৰু ক্ষয়।

সকলোবোৰ আবেগত বলিয়াৰ দৰে হৈ পৰিল। তৰোৱাল হাতত লৈ চিঞঁৰি উঠিল— মেৱাৰ মাইকী জয়; ৰাণাজীকি হয়।

তেতিয়া প্ৰতাপে নিজৰ পূৰ্ব্বপুৰুষ সকলৰ বীৰত্ব বৰ্ণাই গোৱা গানটো শুনি আনন্দত নিজক পাহৰি গৈছিল। সৈন্যবোৰৰ চিঞঁৰত চক্খাই উঠি চিঞঁৰি উঠিল "মেৱাৰ মাইকী জয়"। প্ৰতাপৰ সেই মাত শুনি প্ৰত্যেক ৰাজপুতেই তেতিয়া চিঞঁৰি উঠিল, "মেৱাৰ মাইকী জয়"।

ছয়

প্ৰতাপ এতিয়া যিডোখৰ ঠাইলৈ উঠি গ'ল সেই ঠাইডোখৰ আছিল পৰ্ব্বতীয়া ঠাই। পৰ্ব্বতৰ মাজত সোমাই থাকিলে শত্ৰুৱে বেগেতাই নেদেখেও আৰু যুজ কৰি

জিকিবও নোৱাৰে; সেয়েহে প্ৰতাপে আহি পৰ্ব্বতৰ মাজত ঠাই লৈছেহি।

এই পৰ্ব্বত-শাৰীৰ মাজলৈ সোমাবলৈ হলে একোটা লুংলুঙীয়া বাট আছে। এই বাটবোৰেদি একেসময়তে এখনতকৈ দুখন গাড়ী যাব নোৱাৰে; একেলগে শাৰী শাৰীকৈ চাইটাতকৈ মানুহো যাব নোৱাৰি। সেইকাৰণে প্ৰতাপে আহি এনে এটা লুংলুঙীয়া বাটকে ভেটি ৰৈ থাকিলহি।

প্ৰতাপে জানিছিল পৰ্ব্বতবোৰৰ মাজত তেওক জয় কৰিবলৈ হলে এই বাটটোৰেদি নোসোমালে বাদছাহৰ সৈন্যৰ আৰু উপায় নাই, আৰু তেওঁৰ অলপীয়া সৈন্যৰে বাদছাহৰ অসংখ্য সেনাক বাধা দিবলৈ ইয়াতকৈ আৰু ভাল ঠাই নাই।

ইফালে যেতিয়া চেলিমে দেখিলে প্ৰতাপক সেই পৰ্ব্বতশাৰীৰ মাজত হৰুউৱা

টান হব তেওঁ মোগলৰ অইন ঠাইবোৰ ধ্বংস কৰি যাবলৈ ধৰিলে। শেহত আৰু সেই পৰ্ব্বত শ্ৰেণীৰ বাহিৰে প্ৰতাপৰ একো নাথাকিল। তেতিয়া মোগলে ঠিক কৰিলে প্ৰতাপক সেই পৰ্ব্বতবোৰৰ মাজত "ঘেৰাও" কৰি পেলাব। তেওঁ তেতিয়া প্ৰতাপ সোমাই থকা পৰ্ব্বতবোৰৰ ফালে আগ-বাঢ়িবলৈ ধৰিলে।

প্ৰতাপেও জানিছিল এইবোৰ ঠাই জয় কৰিয়েই শত্ৰু তেওঁ থকা পৰ্ব্বতশাৰীৰ ফালে আগ বাঢ়িব। তেওঁ সেইবাবে সাজু হৈয়েই আছিল। এতিয়া আগ বঢ়া শুনি এই পাৰ্ব্বতীয়া বাটটো ৰক্ষা কৰিবলৈ সাজু হ'ল। প্ৰতাপৰ সেনা কিছুমান আছিল পৰ্ব্বতৰ ওপৰত আৰু কিছুমান আছিল তেওঁৰ লগত বাটটোৰ ওপৰত।— পৰ্ব্বতৰ ওপৰত থকা সেনাবোৰক শিকাই

থৈছিল শত্ৰু ওচৰ চাপিলেই কাৰ মাৰিব আৰু শিলবোৰ খহাই দিব।

এনেকৈ সাজু হৈ থাকোতেই এদিন আহি তেওঁৰ দূতে খবৰ দিলেহি বাদছাহৰ সেনা সেই ফাললৈকে আহিছে।

লাহে লাহে বাদছাহৰ সেনাৰ ভৰিৰ দপ্ দপনি আহি প্ৰতাপৰ সৈন্যৰ কাণত পৰিবলৈ ধৰিলে। পৰ্ব্বতৰ ওপৰত থকা প্ৰতাপৰ সেনাবোৰে দেখি পঠিয়ালে বাদছাহৰ সেনা-বোৰ আহিব লাগিছে আৰু বাদছাহৰ সেনাৰ মূৰবোৰেৰেই এখন সাগৰ হৈ পৰিছে।—কিমান যে সৈন্য,লেখি অন্তকৰা অসম্ভৱ। কিন্তু তেওঁ লোকে আজি তেওঁলোকৰ চেনেহৰ মেৱাৰক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ আহিছে তেওঁলোকে ভয় খাব কিয়?তেওঁলোক বাইশ্ হাজাৰ সেনাই তেতিয়া একেলগে চিঞৰি উঠিল,—মেৱাৰ মাইকী জয়, ৰাণাজীকী জয়।

চেলিমে ইমান বেলি তেওঁৰ দূতবোৰৰ পৰা প্ৰতাপৰ সৈন্য কিমান, ক'ত আছে, কেনে যুদ্ধ কৰে তাকে শুনি আছিল। এতিয়া সেই চিঞৰ শুনি হুকুম দি দিলে, মেৱাৰ সৈন্য আক্ৰমণ কৰা।

তেতিয়া কেউফালৰ পৰা বৰতোপবোৰে গৰ্জিবলৈ ধৰিলে, কাৰবিলাক বতাহৰ মাজেদি বাওঁতে সো-সোৱাবলৈ ধৰিলে, তৰোৱালবিলাক ৰ'দৰ জিলিকনি পৰি চিকমিকাবলৈ ধৰিলে, মানুহৰ তেজ পৰি ঘাঁহবোৰ ৰঙা হৈ পৰিল, সৈন্যৰ কোলাহলত কাণ তাল মাৰি গ'ল। মুহূৰ্ত্তৰ ভিতৰতে কত যে সৈন্য মৰিল তাৰ ঠিকনা নহল।

প্ৰতাপে এবাৰ কেউফালে ঘূৰি চালে. দেখিলে. দূৰত মানসিংহই সিংহবিক্ৰমে যুজিব লাগিছে। খঙত তেওঁ সকলো পাহৰি গ'ল। "যি এফেৰিমান যশ আৰু সম্পদৰ

বাবে দেশৰ শত্ৰুৰ সৈতে যোগ দি নিজৰ মানুহৰ বিৰুদ্ধে তৰোৱাল চলায় সি কিহৰ মানুহ ?” প্ৰতাপ বলিয়াৰ দৰে হ’ল ।

তাৰ পিচত যি এক যুদ্ধ হ’ল পৃথিবীত তেনেকুৱা যুদ্ধ কমেই হৈছে । প্ৰতাপে তেতিয়া পৃথিবীৰ সকলো পাহৰি গৈছে, লৰা-তিৰোতা, ধন-সম্পদ, নিজৰ প্ৰাণ একো-টোলৈকে আৰু তেওঁৰ চিন্তা নাই । তেওঁৰ তেতিয়া কেৱল মনত খেলাইছে তেওঁৰ মৰমৰ দেশখনক ধ্বংস কৰিবলৈ কিছুমান শত্ৰু লৰি আহিছে আৰু তেওঁ সেই শত্ৰু-বোৰৰ হাতৰ পৰা দেশখনক ৰক্ষা কৰিবলৈ আহিছে । তেওঁ তেতিয়া শত্ৰু সৈন্য বধ কৰি আগ বাঢ়িবলৈ ধৰিলে । তেওঁৰ কেউ-ফালে যে হাজাৰ হাজাৰ শত্ৰু সৈন্য তেওঁৰ ফালে বাঘৰ দৰে চাই আছে তাক তেওঁৰ ভাবিবৰ সময় নহল ; কেইশমান ৰাজপুতহে

যে তেওঁৰ লগত শত্ৰুসৈন্য ভেদ কৰি যাব পাৰিছে তাকো আৰু চাবৰ সময় নহল। গতিকে তেওঁ সকলো পাহৰি গ'ল।

ইফালে মানসিংহক বিচাৰি আহিছিল স্বয় প্ৰতাপে, কিন্তু শত্ৰুৰ মাজত সোমাই প্ৰতাপে দেখে মানসিংহ কতো নাই। তেওঁ যুদ্ধ কৰোতে কৰোতে সেই ঠাইডোখৰৰ পৰা আঁতৰ হৈ পৰিছিল। কিন্তু অলপ দূৰতে আছে দিল্লীৰ বাদছাহৰে পুতেক চেলিম;— হাওদা-কচা হাতীৰ ওপৰত উঠি। প্ৰতাপ একেবাৰেই বলিয়া হৈ উঠিল। এই চেলিমক বধ কৰিব পাৰিলেইতো তেওঁৰ জয় হয়, তেওঁৰ সেই ধুনীয়া দেশখন শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিব পাৰে। তেওঁ তেতিয়া ঘোঁৰাৰ লেকামত ধৰি আজোৰ মাৰি দিলে। ঘোঁৰা গৈ একেজাপেই চেলিমৰ হাতীৰ আগত পৰিলগৈ। তাৰ পিচ মুহূৰ্ত্ততে

প্ৰতাপৰ বৰছাৰ আগত চেলিমৰ হাতীৰ মাউতটো মাটিলৈ বাগৰি পৰিল। প্ৰতাপৰ লগৰ সৈন্যবোৰে আনন্দত চিঞৰি উঠিল, 'ৰাণাজীকি জয়।' চেলিমৰ সেনাবোৰে প্ৰতাপৰ ফালে মন কৰা নাছিল এতিয়া সেই চিঞৰত চক্ খাই উঠি মূৰ ডাঙি চাই দেখে সিহঁতৰ বাদছাহৰ পুতেকৰ সৰ্ব্বনাশ হয় এতিয়া! চেলিমৰ বুকুলৈ ডাঙি ধৰা প্ৰতাপৰ বৰছাডালৰ ওপৰত ৰ'দৰ জিলিকণি পৰি চিকমিকাই উঠিছে। কিন্তু যি বাদছাহৰ সৈন্যই গোটেই ভাৰতবৰ্ষখন এফালৰ পৰা জয় কৰি আনিছে তেওঁলোক ভয়াতুৰ নাছিল। তেওঁলোক গোটেইখনেই তেতিয়া "আল্লাহো-আকবৰ" বুলি চিঞৰ মাৰি চেলিমক ৰক্ষা কৰিবলৈ আগ বাঢ়িবলৈ ধৰিলে। কিন্তু তেওঁলোক ওচৰ চপাৰ আগতেই প্ৰতাপে হাতৰ বৰছাডাল চেলিমৰ বুকুলৈ মাৰি পঠিয়ালে, সকলোৰে

"হায়, হায়" বুলি চিঞৰি উঠিল। কিন্তু সেই দিনা চেলিমৰ ভাগ্য বোধ হয় ভাল আছিল। প্ৰতাপৰ হাতৰ বৰছাডাল চেলিমৰ হাতীৰ হাওদাত লাগি উফৰি গ'ল। হাতী টোৰে ভয় খাই তেওঁক লৈ তেওঁৰ সৈন্যৰ মাজ সোমাল।

প্ৰতাপৰ ইমানবেলি কোনোফালে চাবৰ সময় নহৈছিল, এতিয়া এবাৰ ঘূৰি চালে। ঘূৰি চাই দেখিলে, কেউফালে কেৱল শত্ৰুৰ মূৰবোৰ আৰু তেওঁলোকৰ হাতৰ চোকা তৰোৱালবোৰ আৰু বৰছাবোৰ। তেওঁ তেতিয়া তেওঁৰ সৈন্যৰ ফালে বাট বিচাৰিবলৈ ধৰিলে। কিন্তু আৰু তেওঁ তেওঁৰ সৈন্যৰ ফালে ঘূৰি যোৱাতো অসম্ভৱ হৈ উঠিল। তেওঁৰ মূৰত ৰাজছত্ৰ দেখি বাদছাহৰ গোটেইজাক সৈন্য-য়েই হুঙ্কাৰ কৰি তেওঁৰ ফালে আগ বাঢ়িবলৈ ধৰিলে। তেওঁক ধৰিব পাৰিলেইতো সেই

উদ্ধত দেশখনৰ গৰ্ব্ব খৰ্ব্ব হয় !

ৰাজপুত সেনাই ইমানবেলি তেওঁলোকৰ ৰাণাৰ বিপদলৈ মন কৰা নাছিল, এতিয়া বুজিব পাৰি অশূৰৰ বলেৰে যুজ কৰি শত্ৰু সৈন্য বধ কৰিবলৈ ধৰিলে, তাৰ পিচত ৰাণাক সহায় কৰিবলৈ আগ বাঢ়িবলৈ ধৰিলে। কিন্তু ৰাজপুত এজনৰ ঠাইত শত্ৰু দহজন। এজনে দহজনৰ সৈতে কিমানবেলি যুজিব ? প্ৰতাপ ধৰা পৰে এতিয়া ! মেৱাৰৰ সূৰ্য্য ডুবে এতিয়া ! হায়, কি হব ! গোটেই মেৱাৰৰ সেনাৰ বুকু কঁপি গ'ল। কিন্তু বিপদলৈ তেওঁলোক ভয় কৰা মানুহ নাছিল··· ৰাণাক বচুৱাবলৈ তেতিয়া তেওঁলোক শই শই মৰিবলৈ ধৰিলে। ৰজাক বচুৱাবলৈ এতিয়া পাৰিলে গোটেইখনেই মৰে, কিন্তু বাদছাহৰ সৈন্য ভেদ কৰিতো যাব নোৱাৰে।

প্ৰতাপৰ সেনানায়কসকলৰ ভিতৰত ঝালা

বোলা সকুদেশ এখনৰ ৰজা এজনো আছিল, এজন বুঢ়া ৰজাও আছিল। তেওঁ দেখিলে বুদ্ধি নকৰিলে আৰু প্ৰতাপক বচোৱা অসম্ভব। তেওঁ তেতিয়া জাপমাৰি গৈ প্ৰতাপৰ মূৰৰ ৰাজ-ছত্ৰটো টানি আনি নিজৰ মূৰৰ ওপৰত ললেহি।

ইমানবেলি প্ৰতাপৰ মূৰৰ ওপৰত ৰাজ-ছত্ৰটো দেখি প্ৰতাপৰ ওপৰতহে আটাইৰে চকু আছিল। এতিয়া সেতিয়া বাদছাহৰ সৈন্যই দেখিলে ঝালাৰ ৰজাৰ ওপৰতহে ৰাজছত্ৰ সকলোৱে তেওঁক খেদি আহিল। ৰাজছত্ৰ মূৰত দেখি শত্ৰু সৈন্যই ভাবিলে ঝালাৰ ৰজাইহে প্ৰতাপসিংহ।

তেতিয়া যুজ কৰি, মাৰি, মৰি মেৱাৰৰ ৰাণাক সকলোৱে ধৰি শত্ৰু সৈন্যৰ মাজৰ পৰা উলিয়াই আনিলে। ইফালে ঝালাৰ ৰজাই এনে যুদ্ধ কৰিলে যে বাদছাহৰ সৈন্য

অবাক হৈ গ'ল। হাত কঁপি গৈছে, চকুৰে আন্ধাৰ দেখিছে তেওঁ যুদ্ধ কৰিছে। কিন্তু বুঢ়া মানুহ এজনে আৰু কিমান যুঁজিব? শেহত যুদ্ধ কৰোঁতে কৰোঁতে ঘোঁৰাৰ পৰা বাগৰি পৰিল।

যুদ্ধৰ মাজৰ পৰা ওলাই আহি প্ৰতাপে দেখিলে তেওঁৰ জয়ৰ আৰু কোনো আশাই নাই। তেওঁ তেতিয়া এটা হমৃদীয়া পোলাই তাৰ পৰা আঁতৰ হল।

সাত

যুদ্ধৰ পৰা পলাই যাবলৈ হলে যিমান সোণকালে তাৰ পৰা আঁতৰ হব পাৰি সিমানেই ভাল। কিন্তু প্ৰতাপৰ আজি জোৰেৰে ঘোঁৰা চলাই যাবৰো মন যোৱা নাই—ঘোঁৰাৰ লেকাম ডালত ধৰি লাহে লাহে গৈ আছে মাথোঁ। ঘোঁৰা বেগাই চলাই গলেনো আৰু কিটো হব? তেওঁৰতো আৰু প্ৰাণলৈ

মমতা নাই। তেওঁৰ সেই নিজৰ জীৱনতকৈয়ো মৰমৰ জন্মভূমিখনেই যদি গ'ল তেওঁৰ আৰু কিটো আছে ? তেওঁৰ সেই অকামিলা জীৱনটো ৰাখিলেনো আৰু কিটো হব ?

কিন্তু এনেকৈ গৈ থাকোতেই এবাৰ হঠাৎ শুনিলে পাচতে ঘোঁৰাৰ খুৰাৰ শব্দ। তেওঁ চক্ খাই ঘূৰি চাই দেখে অলপ দূৰতে দুটা বাদছাহৰ সৈন্য ঘোঁৰা চলাই আহিছে—তেওঁকে ধৰিবলৈ। সিহঁতৰ হাতত তুডাল বৰছা।

তেওঁ খপ্‌তে ঘোঁৰাৰ মুখ ঘূৰাই দিলে। "প্ৰতাপৰ গাত এতিয়াও তেজ আছে, দুটা সৈন্যক বধ কৰিবৰ বল আছে।"

কিন্তু তাৰ পিচতে তেওঁৰ গাটোলৈ চকু গ'ল, দেখিলে অস্ত্ৰই চুই যোৱা ঠাইবোৰৰ পৰা তেতিয়াও তেজ ওলায়েই আছে। ঘোঁৰাও বৰ দুৰ্ব্বল হৈ পৰিছে। তাৰ গাৰ পৰাও তেজ বাগৰি পৰিছে

তেওঁ তেতিয়া আকৌ ঘোৰাটোৰ মুখখন ঘূৰাই দি তীব্ৰবেগে ঘোৰা চলাই দিলে। প্ৰতাপক ঘোৰা ৰখোৱা দেখি সৈন্য দুটাই ভাবিছিল সিহঁতৰ সৈতে যুদ্ধ কৰিবলৈহে প্ৰতাপ ৰৈছে; সেইবাবে সিহঁতেও ঘোৰাৰ বেগ কমাই আনিছিল। এতিয়া প্ৰতাপক ঘূৰি ঘোৰা চলাই দিয়া দেখি সিহঁতেও ঘোৰা জোৰেৰে চলাই দিলে।

এইদৰেই কিমানদূৰ গ'ল ঠিক কব নোৱাৰি; কিন্তু হঠাৎ প্ৰতাপে দেখিলে তেওঁৰ আগতে এখন পৰ্ব্বতীয়া জান; এই পৰ্ব্বতীয়া জানখন পাৰ হবৰ একো উপায়েই নাই। তেওঁ এতিয়া কি কৰে? কিন্তু আজি আৰু প্ৰতাপৰ ভাবিবৰ সময় নাই; তেওঁ ঘোৰাটোৰ লেকামডাল টান মাৰি দিলে, ঘোৰাটোৱে একেজাপেই জানখন পাৰ হ'ল। বাদছাহৰ সেনা দুটাই তেতিয়া বৰছা

দুপাত প্ৰতাপৰ গালৈ মাৰি পঠিয়াবলৈ ঠিক কৰি লৈছিল। সিহঁত অবাক হৈ চাই থাকিল, সিহঁতৰ হাতৰ বৰছা হাততে থাকিল। এনে সাহ আৰু এনে ধৈৰ্য্য সিহঁতে দেখা নাই।

জানখন পাৰ হৈ প্ৰতাপে ঘূৰি চালে, দেখিলে, সেনা দুটা অবাক হৈ তেওঁৰে ফালেই চাই আছে। —সিহঁতে জানখন পাৰ হবলৈ চেষ্টা কৰিবলৈকো পাহৰি গ'ল। তেতিয়া প্ৰতাপে আকৌ ঘোৰা চলাই দিলে।

কিন্তু তেওঁৰ ঘোৰা আজি লৰিব নোৱৰা হৈ আহিছে। তাৰ গোটেই গাৰ পৰা ঘাম ওলাই মাটিলৈ বাগৰি পৰিছে, যুদ্ধত খোচ্ খোৱা ঠাইবোৰৰ পৰা তেতিয়াও তেজ ওলায়েই আছে। প্ৰতাপৰ চকুৰ পৰা পানী ববলৈ ধৰিলে। প্ৰতাপে মাতিলে, "চৈতু।" প্ৰতাপৰ সেই মৰমৰ মাত শুনি চৈতুৱে তাৰ নাকটো আনি প্ৰতাপৰ গাত

লগাই দিলেহি । প্ৰতাপে গাত হাত ফুৰা-বলৈ ধৰিলে ।

কিন্তু এনেতে হঠাৎ প্ৰতাপে শুনিলে পিচতে কোনোবাই মাতিছে, "হা নীলা ঘোৰাকো আচোয়াৰ," ঘূৰি চাই দেখিলে তেওঁৰেই ভায়েক চিৰশত্ৰু শক্ত—ঘোৰাত উঠি তেওঁৰ ফাললৈকে আহিছে । তেওঁ বাদছাহৰ তলৰে এজন সেনানায়ক । খঙত প্ৰতাপৰ চকু দুটা জুইৰ দৰে জ্বলি উঠিল । "নীচ, কাপুৰুষ, দেশদ্ৰোহী, আহ ।" প্ৰতা-পৰ হাতৰ বৰচাডাল চিকমিকাই উঠিল ।

শক্তৰ কিন্তু খং নুঠিল । তেওঁ সেই মূৰ্ত্তিৰফালে মূৰ্ত্তিৰেদৰে থিৰ হৈ চাই থাকিল । তাৰ পিচত ভগা মাতেৰে মাতিলে, ককাই-দেউ !

প্ৰতাপৰ তেতিয়া ইচ্ছা হৈছিল শক্তক টুকুৰা টুকুৰকৈ কাটি পৰ্ব্বতৰ মাজলৈ তাৰ

মাংসবোৰ দলিয়াই পেলাই দিয়ে। কিন্তু সেই একেষাৰ মাতে তেওঁক সকলো পাহৰাই পেলালে। শক্তই যে তেওঁৰ বিৰুদ্ধে দেশৰ শত্ৰুক সহায় কৰিছিল, তেওঁৰ ভাই হৈয়ো যে তেওঁৰ সৰ্ব্বনাশ কৰিবলৈ আগ বাঢ়িছিল সেই সকলোবোৰ পাহৰি গ'ল। তেওঁৰ তেতিয়া কেৱল মনত খেলালে যে শক্ত তেওঁৰে সৰু ভায়েক। তেওঁ আৰু নোৱাৰিলে। তেওঁ লৰি গৈ শক্তক সাবট্ মাৰি ধৰিলেগৈ, মাতিলে, শক্ত। শক্তই বোধ হয় বাদছাহৰ সৈন্যৰ লগত যোগ দিয়াৰ পৰা এনে এষাৰ মৰমৰ মাত শুনা নাছিল তেওঁ দুই হাতেৰে মুখ ঢাকি কান্দিবলৈ ধৰিলে। তাৰ পিচত প্ৰতাপৰ বুকত মুখ লুকাই কলে, মোক ক্ষমা কৰা ককাইদেউ। মই নাজানিছিলো দেশৰ হৈ মৰিবলৈ যোৱাতোত যে এনে এটা সুখ আৰু

গৌৰব লুকাই আছে। মই ভাবিছিলোঁ, টকা-কড়ি, সুখ-সম্পদ, সেয়ে মানুহৰ সকলো; মানুহক আৰু তাতকৈ একো নালাগে। কিন্তু আজি মোৰ সেই সকলো ভুল ভাগি গ'ল। আজি যেতিয়া দেখিলোঁ তুমি দেশৰ হকে তোমাৰ প্ৰাণকে এৰি দিবলৈ আগ বাঢ়িছা আৰু তোমাৰ মুখত হাঁহি বিৰিঙি পৰিছে, মই আশ্চৰ্য্য হৈ তোমাৰ ফালে চাই আছিলোঁ। তাৰ পিচত যেতিয়া তোমাক বচাবলৈ ঝালাৰ ৰজাই তোমাৰ ৰাজ-ছত্ৰটো নি নিজৰ মূৰত ললেগৈ মই বেজাৰত কান্দি পেলালো। মই তেতিয়া বুজিলো মই কিমান তললৈ খহি পৰিলো। আৰু মোৰ আটাইতকৈ বেচি বেজাৰ লাগিল যে তোমাৰ ভাই হৈ মই তুচ্ছ সুখৰ আশাত শত্ৰুৰ সৈতে যোগ দিছোঁ। তাৰ পিচত যেতিয়া দেখিলোঁ বাদছাহৰ সেনা দুটাই তোমাৰ পাচ লৈছে, মই আৰু থাকিব

নোৱাৰিলোঁ। মই আহি সিহঁতক কাটি পেলালোঁ।—সিহঁতে তেতিয়া জানখন পাৰ হৈ তোমাৰ পাচ লৈছিল। প্ৰতাপৰ তেতিয়া চকুৰ পৰা হাঁহি ফুটি ওলাইছিল; তেওঁ শক্তক বুকলৈ টানি আনিলে, কলে, ভাই, মই তোমাক ভুল বুজিছিলো ;—মোক ক্ষমা কৰা।

তাৰ পিচত দুই ককাই ভায়ে ইমানদিনৰ হিংসা আৰু খং পাহৰি গৈ এটা শিলৰ ওপৰত বহি দেশৰ কথা পাতিবলৈ ধৰিলে। দুয়োৰে মুখত তেতিয়া হাঁহি বিৰিঙি পৰিছিল—ভায়ে ভায়ে যেতিয়া মিল থাকে তেনেকুৱাই হয়!

আঠ

এই যুদ্ধৰ পিচত প্ৰতাপে গৈ গিডোখৰ ঠাইত আশ্ৰয় ললেগৈ তাত কেউফালে পৰ্ব্বতীয়া জানবোৰ। অলপ বৰষুণ দিলেই জানবোৰ ওফন্দি পৰে—গোটেইবোৰ ঠাই বুৰাই পেলায়। যুদ্ধ হৈছিল বাৰিষা, গতিকে

গোটেই ঠাইবোৰ বুৰি গ'ল। বাদছাহৰ সেনা কেইমাহমানলৈ যুদ্ধ এৰি দিবলৈ বাধ্য হ'ল। প্ৰতাপ কেইমাহ মানলৈ ৰক্ষা পৰিল।

কিন্তু পানী শুকুৱাৰ লগে লগে আকৌ আহি শত্ৰু ওলালহি। বীৰ প্ৰতাপে আকৌ যুদ্ধ কৰিলে। কিন্তু অসংখ্য শত্ৰুৰ সৈতে যুদ্ধ কৰা মিছা—আকৌ যুদ্ধত হাৰি প্ৰতাপ পলাবলৈ বাধ্য হ'ল।

এইবাৰ হাৰি প্ৰতাপে বুজিলে এইদৰে যুজ কৰাতো মিছা।—খোলা ঠাইত ইমান-বোৰ সৈন্যৰে যুজ চলোৱা অসম্ভব। তেওঁ তেতিয়া পৰ্ব্বতৰ ওপৰৰ দুৰ্গবোৰ মেৰামৎ কৰিবলৈ ধৰিলে। এই দুৰ্গবোৰৰ এটাৰ নাম আছিল কমলগিৰ। তেওঁ এইবাৰ হাৰি এই কমলমিৰ দুৰ্গতে আশ্ৰয় ললেহি।—এই দুৰ্গটো আছিল মেওৱাৰৰ পৰা মানসিংহৰ ৰাজ্যলৈ যোৱা পৰ্ব্বতৰ ওপৰত যি অধিত্যকা

আছিল তাৰ ওপৰতে ।

মোগলৰ সেনাপতিয়ে যেতিয়া জানিলে প্ৰতাপে কমলমীৰত আশ্ৰয় লৈছেগৈ, তেওঁ শাহবাজ খাঁ বুলি সেনানায়ক এজনক দুৰ্গটো জয় কৰিবলৈ পঠিয়াই দিলে । শাহবাজ খাঁই আহি দুৰ্গটো 'ঘেৰাও' কৰি পেলালেহি ।

পৰ্ব্বতৰ ওপৰৰ দুৰ্গ জয় কৰা সদায় টান । সেই কাৰণে প্ৰতাপে ভাবিছিল এই দুৰ্গটোৰ মাজত সোমাই থাকিলে শত্ৰুৱে বেগেতাই একো কৰিব নোৱাৰিব আৰু তেওঁও শত্ৰুক কিছুদিনলৈ অন্ততঃ বাধা দি থাকিব পাৰিব । কিন্তু সেইটো হৈ নুঠিল । দুৰ্গৰ ভিতৰৰ খোৱা পানীবোৰ বেয়া হৈ পৰিল আৰু বেয়া পানী খোৱা বাবে মানুহবোৰ বেমাৰ পৰিবলৈ ধৰিলে । প্ৰতাপে তেতিয়া তেওঁৰ মোমায়েক এজনৰ গাত দুৰ্গটোৰ ভাৰ দি নিজে অইন এডোখৰ ঠাইত গৈ আশ্ৰয় ললেগৈ । কিন্তু

কমলমীৰ দুৰ্গও আৰু প্ৰতাপৰ হাতত বেচি দিন নাথাকিল। চাওঁতে চাওঁতে সিও বাদছাহৰ হাতলৈ গ'ল। প্ৰতাপৰ মোগায়েক আৰু তেওঁৰ তলৰ সৈন্যবোৰ যুজ কৰি কৰি মৰিল।

কমলমীৰৰ পৰা পলাই আহি প্ৰতাপে আশ্ৰয় ললেহি কেউফালে থিয় পৰ্ব্বতবোৰে ঘেৰি থোৱা ঠাই এডোখৰত। এই ঠাই-ডোখৰত কেৱল ভীল বোলা জাতি এটাহে বাস কৰিছিল।—ভীলবিলাক আছিল প্ৰতা-পৰ বন্ধু। এতিয়া প্ৰতাপক বিপদত পৰা দেখি এই বিশ্বাসী পৰ্ব্বতীয়া জাতিটোৱে তেওঁক সাবটি ধৰিলে। প্ৰতাপেও সিহঁতৰ আশ্ৰয় লাভ কৰি শত্ৰুক বাধা দি ফুৰিবলৈ ধৰিলে।

ইফালে শত্ৰুও নিৰস্ত্ৰ নহল; নগৰৰ পিচত নগৰ, দুৰ্গৰ পিচত দুৰ্গ কাঢ়ি নিবলৈ

PLEASE HANDLE THE BOOK CAREFULLY

পৰিলে। প্ৰতাপৰ অলপীয়া সেনাই সিহঁতক কোনোমতেই বাধা দি ৰখাব নোৱাৰিলে। প্ৰতাপৰ সেনাবোৰো লাহে লাহে নিৰাশ হৈ পৰিল।

এইদৰে বিপদত পৰিও কিন্তু প্ৰতাপৰ সাহ নকমিল—উত্তম নকমিল। যেতিয়ালৈকে মেৱাৰত এটা পৰ্ব্বতৰ টিং ও তেওঁৰ বুলিবলৈ থাকিব তেওঁ যুদ্ধ কৰিব—সকলোকে শুনাই দিলে। তেওঁ তেতিয়া বুদ্ধি কৰি, ধৰা নিদিয়াকৈ, যুদ্ধ কৰিবলৈ ধৰিলে। পৰ্ব্বতৰ ওপৰত ৰাজপুত সেনাবোৰ লুকাই থাকে, উপত্যকা আৰু পৰ্ব্বতৰ গুহাবোৰত প্ৰতাপৰ মানুহবোৰ শত্ৰুৱে দেখা নেপোৱাকৈ ঘূৰি ফুৰে; তাৰ পিচত শত্ৰু সৈন্যই প্ৰতাপ ওচৰত নাই বুলি ভাবি কথা পাতি থাকে নাইবা শুই থাকে, তেতিয়া আহি আক্ৰমণ কৰি শত্ৰুসৈন্য ধ্বংস কৰে।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

পৰ্ব্বত দুৰ্গ একে একে শত্ৰুৰ হাতলৈ যাবলৈ ধৰিছে, উপত্যকাবোৰত শত্ৰুসৈন্য হাজাৰে হাজাৰে থিয় দি আছে, সৈন্যক দৰ্ম্মহা দি ৰাখিবলৈ পইচাৰ অভাব হৈ আহিছে ; কিন্তু প্ৰতাপ পৰ্ব্বতৰ দৰে অটল, সিংহৰ দৰে নিৰ্ভীক ।

পৰ্ব্বতীয়া ঠাইবোৰ জয় কৰিবলৈ বৰ টান, তেনে ঠাই জয় কৰি বাদছাহৰ সেনা-পতিবোৰৰ মন আনন্দত নাচি উঠিল । এইবাৰ প্ৰতাপৰ পাল ! প্ৰতাপক ধৰি, বান্ধি আকবৰৰ ওচৰত পেলাবগৈ । তাকে ভাবি ফৰিদখাঁ সসৈন্যে প্ৰতাপ থকা ঠাইডোখৰ জয় কৰিবলৈ লৰি আহিল ।

প্ৰতাপে যেতিয়া শুনিলে ফৰিদখাঁ আহিছে তেওঁ সৈন্য সামন্ত লৈ পৰ্ব্বতৰ মাজত সোমাই থাকিল । ফৰিদখাঁই একো গমকে নাপালে । তাৰ পিচত ফৰিদখাঁই

যেতিয়া নিঃসন্দেহেৰে পৰ্ব্বতশ্ৰেণীৰ মাজত সোমাল প্ৰতাপ আহি ধুমুহাৰ দৰে পৰিল। মুহূৰ্ত্তৰ ভিতৰতে এখন ডাঙৰ যুদ্ধ হৈ গ'ল। ফৰিদখাঁ বা তেওঁৰ এজনো সৈন্যও আৰু দেশলৈ ঘূৰিবলৈ নাপালে। ফৰিদখাঁৰ এই দুৰ্ঘটনাৰ কথা শুনি বাদছাহৰ সেনাপতিবোৰ খণ্ডত বলিয়া হৈ পৰিল। তেওঁলোকে প্ৰতিজ্ঞা কৰিলে, প্ৰতাপক ধৰি বান্ধি আক-বৰৰ ওচৰলৈ টানি লৈ যাব তেহে তেওঁলোক মানুহ। কিন্তু তেনেতে আকৌ বাৰিষা আহিল; তেওঁলোকে আৰু একো কৰিব নোৱাৰি উলটি যাবলৈ বাধ্য হ'ল। প্ৰতাপ কেইমাহমানলৈ আকৌ ৰক্ষা পৰিল।

ন

আকৌ খৰালি আহিল। আকৌ খৰালিৰ লগে লগে লক্ষ্য লক্ষ্য শত্ৰু আহি মেৱাৰ ঘেৰি পেলালেহি। কিন্তু প্ৰতাপসিংহ মেৱাৰৰ

সন্তান, যুজ কৰিব, মৰিব, কিন্তু দেশৰ শত্ৰুৰ সৈতে মিত্ৰতা নকৰে—তেওঁ দিল্লীৰ বাদছাহৰ অধীন নহয়, তেওঁ তেওঁৰ বংশৰ কলঙ্ক নানে। তেওঁ যুদ্ধ কৰিবলৈ ধৰিলে।

আকৌ পৰ্ব্বতবোৰ শত্ৰুসৈন্যেৰে ভৰি পৰিল, আকৌ পৰ্ব্বত দুৰ্গবোৰ এটা এটাকৈ শত্ৰুৰ হাতলৈ যাবলৈ ধৰিলে। আকৌ গুহাত লুকাই থকা ৰাজপুতবোৰক শত্ৰুসৈন্যই খেদি উলিয়াবলৈ ধৰিলে, কিন্তু প্ৰতাপে যুদ্ধ কৰিয়েই থাকিল, প্ৰতাপক বশ মনাব পৰা শক্তি আৰু কাৰো নহল। আকবৰৰ সেনাপতিবোৰ ভাগৰি গল; প্ৰতাপৰ বীৰত্ব অবাক হৈ কবলৈ ধৰিলে, এই মানুহটো কি! —হাৰি হাৰিও যে নেহাৰে।

দিল্লীৰ পৰা নতুন সৈন্য আহি যুদ্ধ কৰিব লাগিছে, বচা বচা সেনাপতিবোৰ আহিয়েই আছে, মেৱাৰ ধ্বংস কৰি যাব লাগিছে,

কিন্তু প্ৰতাপ যুদ্ধৰ পৰা নিৰস্ত নহল। প্ৰতাপক বান্ধি বাদছাহৰ আগলৈ নিবৰ আৰু কাৰো সাধ্য নহল।

অনেক সময়তে প্ৰতাপৰ লৰা-ছোৱালী-বোৰে শুবলৈ খাট নাপায়, পৰ্ব্বতৰ গুহাত থাকিব লাগে, জাৰত কাপোৰ লবলৈ নাপায়, খাবলৈ ধৰা বস্তু এৰি লৰ মাৰিব লাগে। কিন্তু প্ৰতাপৰ প্ৰতাপ কমাবৰ সাধ্য আৰু কাৰো নহল।

বছৰে বছৰে এইদৰে যুদ্ধ চলিব লাগিছে, মানুহ মৰিব লাগিছে, প্ৰতাপ হাৰিব লাগিছে, ইডোখৰৰ পিচত সিডোখৰ ঠাই শত্ৰুৰ হাতলৈ যাবলৈ ধৰিছে কিন্তু বীৰ প্ৰতাপক ভয়াতুৰ কৰিবৰ সাধ্য আৰু কাৰো নহল।

মেৱাৰৰ শস্যক্ষেত্ৰত শস্য নোহোৱা হ'ল ; যত আগেয়ে হাট বহিছিল তাত এতিয়া বাঘ, ভালুক ঘূৰি ফুৰা হ'ল, কিন্তু প্ৰতাপে আৰু

হাৰ নামানিলে. প্ৰতাপক বন্দী কৰি দিল্লীলৈ নিবৰ সাধ্য আৰু কাৰো নহল। মানসিংহ আৰু মহাবৎ লাজত, খঙত, অপমানত যেন মৰি গ'ল।

দহ

লাহে লাহে প্ৰতাপৰ কষ্ট আৰু বাঢ়ি যাবলৈ ধৰিলে, লাহে লাহে প্ৰতাপৰ লৰা-ছোৱালীয়ে আৰু খাবলৈ নেপোৱা হৈ আহিল। প্ৰতাপৰ ৰাণীয়ে আৰু কষ্ট ভোগ কৰিব লগীয়া হৈ পৰিল। কিন্তু ৰাণী আছিল প্ৰতাপৰ দৰেই সাহী আৰু তেওঁৰে দৰে আছিল দেশলৈ তেওঁৰ অসীম মৰম। তেওঁ সেই কষ্টক কষ্ট বুলি প্ৰতাপক উদগাবলৈ ধৰিলে। প্ৰতাপে সেই উদগনিত উদগনি পাই দুগুণ উৎসাহেৰে যুদ্ধ কৰিবলৈ ধৰিলে।

কিন্তু লাহে লাহে প্ৰায় সকলো দুৰ্গ, উপত্যকা, পৰ্ব্বতৰ ওপৰতে দিল্লীৰ বাদছাহৰ

পতাকা উৰিবলৈ ধৰিলে। শেহত কেইটা-মান দুৰ্গ আৰু কেইটামান পৰ্ব্বতৰ টিঙৰ বাহিৰে আৰু তেওঁৰ নিজা বুলিবলৈ একো নাথাকিল। তেওঁ তেতিয়া উপায় নাপাই এনে এটা দুৰ্গতে নি তেওঁৰ লৰা ছোৱালীৰে সৈতে ৰাণীক থৈ দিলেগৈ। তেওঁ নিজে অলপীয়া সেনা লৈ শত্ৰুসেনা আক্ৰমণ কৰি ফুৰিবলৈ ধৰিলে।—প্ৰধান প্ৰধান সেনাপতি-বোৰৰ কিছুমান প্ৰতাপৰ লগত ফুৰে, কিছু-মান ৰাণাৰ পৰিয়ালক ৰক্ষা কৰিবৰ নিমিত্তে দুৰ্গত থাকে। কিন্তু এই দুৰ্গটোও ৰক্ষা কৰা অসম্ভৱ হৈ উঠিল। প্ৰতাপৰ পৰিয়াল এই দুৰ্গটোত থকা শুনি বাদছাহৰ অসংখ্য সৈন্য আহি দুৰ্গটো ঘেৰি পেলালেহি। ইফালে তাৰ পানীও বেয়া হৈ পৰিল। তেতিয়া প্ৰতাপৰ পৰিয়ালক ভীমগড় বোলা দুৰ্গ এটালৈ পঠিয়াই দি ৰাজপুত বীৰসকলে দুৰ্গৰ

দুৱাৰ খুলি শত্ৰুৰ ওপৰত পৰিল,—শত্ৰুসৈন্য ছিন্ন-ভিন্ন কৰি দিলেহি। কিন্তু সেইকিটা মানুহে কিমান যুজিব? তাতে বাদছাহৰ সেনাৰ লগত আছিল বন্দুক আৰু বৰতোপ; ৰাজপুত সেনাৰ লগত আছিল মাখোন তৰোৱাল আৰু বৰছা। চাওঁতে চাওঁতে এইটো দুৰ্গও বাদছাহৰ হাতলৈ গ'ল। ৰাজপুত বীৰসকলে বীৰৰ দৰে যুদ্ধ কৰি কৰি চিৰকাললৈ মাটিত শুই পৰিল।

ইয়াৰ পিচত কিছুমান দিনলৈ কোনো যুদ্ধই নহল। ৰাজপুত সৈন্যবোৰে ভাবিলে, বোধ হয় এইবাৰলৈ আৰু যুদ্ধ ক্ষান্ত হ'ল। কিন্তু এদিন হঠাৎ তেওঁলোকৰ সেই ভুল ভাগি গ'ল।

প্ৰতাপ প্ৰায়েই দুৰ্গত নাথাকিছিল; সৈন্য লৈ ঘূৰি ফুৰে, সুবিধা পালেই শত্ৰু সৈন্যৰ ওপৰত পৰি শত্ৰুসৈন্য ধ্বংস কৰি

পেলায় । তাৰ পিচত শত্ৰুসৈন্য বেচিকৈ অহাৰ আগতে পৰ্ব্বতৰ গুহাত বা দূৰ্গত আশ্ৰয় লয়হি ।

এইদৰেই এদিন কৰবালৈ যাওঁতে ৰাতি আহি বাদছাহৰ সেনাই ভীমগড় দূৰ্গ আক্ৰমণ কৰি পেলালেহি ।---ৰাণাৰ পৰিয়াল ইয়াত আছে বুলি তেওঁলোকে কেনেবাকৈ জানিব পাৰিছিল । ৰাণাৰ পৰিয়ালক বন্দী কৰি দিল্লীলৈ পঠাব পাৰিলেই প্ৰতাপে অৱশ্যে হাৰ মানিব সেই আশাতেই আজি তেওঁ-লোকে ভীমগড় দূৰ্গ আক্ৰমণ কৰিছেহি ।

দূৰ্গৰ সেনাবোৰ এইবাৰ সাজু নাছিল ; ডাঙৰ বাৰো বেচি দূৰ্গত নাছিল ।—সৈন্যও আছিল মুঠেই কেইশমান ।

সকলোৱে বুজিলে ৰজাৰ মান এইবাৰ ৰক্ষা কৰিব পাৰিলেহে ৰক্ষা কৰা । কিন্তু ৰাজপুতৰ ভিতৰত বীৰৰ অভাৱ নাই । এজন

বীৰে হাবিব মাজেদি ৰাণাৰ পৰিয়ালক পলুৱাই নি নিৰাপদ ঠাইলৈ লৈ গ'ল।

কিন্তু ইফালে সকলো শেষ হ'ল। কাকতিফৰিঙৰ দৰে আহি শত্ৰুসৈন্যই দূৰ্গ ঘেৰি পেলালেহি। ৰাজপুত সেনাই প্ৰথমতে অসুৰৰ দৰে বাধা দিবলৈ ধৰিলে; শেহত যেতিয়া আৰু নোৱাৰিলে আকাশচোৱা একুৰা জুই ধৰিলে।—যেতিয়া তেওঁলোকে মাতৃজাতিৰ মান ৰক্ষা কৰিব নোৱৰা হয়, এই জুই কুৰাতে তেওঁলোকে তেওঁলোকৰ সকলো শেষ কৰি যায়। তাৰ পিচত নিজে মৰিবলৈ ওলায়। আজিও সেয়ে হ'ল; ৰাজপুতৰ বীৰ তিৰোতাসকল এজনা এজনাকৈ সেই জুইত জাপ দি সকলো শেষ কৰি দিলে।

বীৰসকলে বহুতবেলি বেজাৰ মনেৰে জুইকুৰাৰ ফাললৈকে চাই আছিল।

তেওঁলোকে তেতিয়া সংসাৰ পাহৰি গৈছিল। সেই জুইকুৰা নুমুৱাৰ লগে-লগেইতো তেওঁলোকৰ সকলো আশা-ভাৰসা নুমাই আহিছিল। তেওঁলোকৰ আৰু কিটো আছে?

কিন্তু তেওঁলোক আজি মৰিবলৈ ওলাইছে। তেওঁলোকেতো এনেকৈ চাই থাকিলে নহব। তেওঁলোকে তেতিয়া দুৰ্গৰ দুৱাৰ খুলি এজন এজনকৈ ওলাই আহিল, তাৰ পিচত "মেৱাৰ মাইকী জয়" বুলি বাদছাহৰ সেনাৰ ওপৰত পৰিল; অসংখ্য শত্ৰু নিপাত কৰিলে,—তাৰ পিচত যুদ্ধ কৰি কৰি যুদ্ধক্ষেত্ৰত এটি এটিকৈ পৰিবলৈ ধৰিলে। বাদছাহৰ সেনা যেতিয়া দুৰ্গৰ ভিতৰলৈ সোমাল এটি প্ৰাণীও আৰু তাত নোলাল। বীৰসকলে প্ৰাণ যোৱাতকৈয়ো মান যোৱাতোলৈ ভয় কৰে; এতিয়া মান যাব বুলি ভাবি প্ৰাণকে ত্যাগ কৰিলে।

এঘাৰ

প্ৰতাপৰ বিপদ লাহে লাহে আৰু বেচি হৈ আহিবলৈ ধৰিলে। ভীমগড় দূৰ্গ বাদ-চাহৰ হাতলৈ যোৱাৰ পিচৰ পৰা ধৰা নপৰাকৈ নিজক ৰখাতোও প্ৰতাপৰ পক্ষে টান হৈ পৰিল। এদিন ৰাণী প্ৰায় ধৰাই পৰিছিল, টুকুৰি এটাত ভৰাই ভিল এটাই মূৰত তুলি লৈ পলুৱাই নিয়া বাবে মাথোঁ ৰক্ষা পৰিল। ইফালে সৈন্য গোটাবলৈ টকাৰ অভাৱ হৈ আহিল—পুৰণা সৈন্যবোৰ এটা এটাকৈ কমি আহিবলৈ ধৰিলে—যুদ্ধৰ আহিলা-পাতিও নাইকিয়া হৈ আহিল। সকলোফালেই প্ৰতাপৰ আন্ধাৰ হৈ পৰিল। সকলোৱেই লাহে লাহে কবলৈ ধৰিলে, এইবাৰ আৰু প্ৰতাপে বশ নামানি নোৱাৰে—এদিন নহয় এদিন প্ৰতাপ ধৰা পৰিবই। এইদৰে আৰু কিমান দিন যুদ্ধ কৰিব ?

ইমান বিপদো প্ৰতাপে সহিছিল কিন্তু এদিন এনে এটা ঘটনা ঘটিল যে প্ৰতাপেও আৰু ধৈৰ্য্য ৰাখিব নোৱাৰিলে।

কতদিন ৰাজ পৰিয়ালে গোটেই দিন অনাহাৰত পৰি আছে, কতদিন বৰষুণত তিতি থকথককৈ কঁপি জুইত জাৰ গুচাইছে, খাবলৈ বাঢ়ি লৈ কতদিন অনাহাৰে পলাই লব লগীয়া হৈছে, কিন্তু প্ৰতাপৰ স্থিৰ মন অস্থিৰ কৰিব পৰা নাছিল। আজি আৰু কিন্তু নোৱাৰিলে।

কেবাদিনো প্ৰতাপৰ লৰা ছোৱালীবোৰে খাবলৈ পোৱা নাই। ৰাণীয়ে নিজে বনৰ গুটি কিছুমান ভাঙি তাৰে ৰুটি কেইডোখৰ-মান কৰিছিল। প্ৰতাপে ওচৰতে বহি কিবা ভাবি আছিল। তেওঁৰে ছোৱালী এজনীয়ে দূৰত বহি সেই ৰুটি এডোখৰকে চোবাইছিল।

হঠাৎ ছোৱালীজনীয়ে চিঞৰ মাৰি

দিলে। চিঞৰ শুনি প্ৰতাপে ঘূৰি চায় দেখে, বনৰীয়া যেকুৰি এটা আহি ছোৱালী-জনীয়ে হাতৰ পৰা ৰুটিডোখৰ ঠাপমাৰি লৈ পলাইছে। ছোৱালীজনীয়ে উচুপি উচুপি কান্দিছে।

প্ৰতাপে এটা এটাকৈ আপোন মানুহ-বোৰক যুদ্ধত মৰা দেখিছে—এজনী এজনীকৈ সেই মানুহবোৰৰ তিৰোতাবোৰক সতী যোৱা দেখিছে—পিতৃ মাতৃ হীন লৰা ছোৱালীৰ আৰ্ত্তনাদৰ হাঁহাকাৰ শুনিছে—কিন্তু একোৱেই তেওঁৰ থিৰ মনক অথিৰ কৰিব পৰা নাছিল। আজি কিন্তু তেওঁ বেজাৰত, দুখত, কান্দি পেলালে। "যদি স্বাধীন হৈ থাকিব খোজাৰ এয়ে লাভ, মোক এনে স্বাধীনতা নেলাগে। তাৰ পিচত বাদছাহলৈ লিখি পঠিয়ালে তেওঁ বশ্যতা তেওঁৰ স্বীকাৰ কৰিব।

বাৰ

চিঠি পাই বাদছাহ আনন্দত নাচি উঠিল —ইমান দিনৰ যত্ন তেও সফল হ'ল। লগে লগে বাদছাহৰ বন্ধু-বান্ধৱ সকলোৱেই আনন্দ প্ৰকাশ কৰিলে।—প্ৰতাপসিংহৰ আত্মীয় মানসিংহ আৰু মহাবতেও সেই আনন্দত যোগ দিলে।

কিন্তু এজাৰত কান্দি পেলালে এজনে, তেওঁ হৈছে বিকানিৰৰ ৰজাৰ ভায়েক, কবি পৃথ্বিৰাজ। পৃথ্বিৰাজে নিজে আকবৰৰ তলত কাম কৰে, কিন্তু প্ৰতাপৰ বীৰত্বত তেওঁ মুগ্ধ—প্ৰতাপক মনে মনে পূজা কৰে, ৰাজপুতনাৰ গৌৰবৰ স্থল বুলি তেওঁক ভক্তি কৰে। তেওঁ এতিয়া প্ৰতাপলৈ এটি কবিতা লিখি পঠাই দিলে। কবিতাটোৰ ভাব হৈছে এই :—

দেশৰ আশা ভাৰসা দেশৰ মানুহৰ ওপৰতেই নিৰ্ভৰ কৰে, তথাপি ৰাণাই তাক এৰি

পেলাইছে। বীৰ বুলিবলৈ এতিয়া গোটেই ৰাজপুতনাৰ ভিতৰত এজন, তেওঁ হৈছে উদয়-সিংহৰ পুতেক। সকলোৱে আশা কৰে তেওঁ ৰাজপুতৰ মান ৰক্ষা কৰিব।

চিঠিখন যেতিয়া আহি প্ৰতাপসিংহৰ হাত পাইহি তেওঁ আকাশখনৰ ফালে চাই কিবা ভাবি আছিল ;—তেওঁৰ ওচৰত তেওঁৰ বিপদৰ বন্ধু সৈন্যজাক। সকলোৰেই মুখত বেজাৰৰ চিন। তেওঁলোকে তেতিয়া ভাবিছিল, এই সন্ধি কৰিব লগীয়া হোৱাৰ আগেয়েই তেওঁলোক মৰি নগল কিয়?

প্ৰতাপসিংহই চিঠিখন এবাৰ এবাৰকৈ তিনিবাৰ পঢ়িলে। পঢ়োঁতে পঢ়োঁতে তেওঁৰ মুখ উজ্জ্বল হৈ উঠিল। শেহত গৰ্জ্জি উঠিল, 'মোৰ ভুল হৈছিল ; পৃথ্বিৰাজে ঠিক কৈছে।' দেশৰ আশা-ভাৰসা দেশৰ মানুহৰ ওপৰতেই নিৰ্ভৰ কৰে। প্ৰতাপসিংহই ৰাজপুতৰ মান

ৰক্ষা কৰিব ; মেৱাৰ এৰি যাব কিন্তু সন্ধি নকৰে। সৈন্যবোৰে প্ৰথমতে প্ৰতাপৰ কথা বুজিব পৰা নাছিল, যেতিয়া প্ৰতাপে বুজাই দিলে কথাটো কিটো হৈছে—পৃথ্বিৰাজে কি লিখিছে, সিহঁতেও গৰ্জ্জি উঠিল ; "ৰাণা, আমিও ৰাজ্য এৰি যাম, সন্ধি নকৰো।" তেতিয়া মেৱাৰৰ প্ৰত্যেক ৰাজপুতেই চিঞৰি উঠিল, আমি সন্ধি নকৰো, আমি সন্ধি নকৰোঁ।

তেৰ

প্ৰতাপসিংহই দেশ এৰি আহিছে ;— মেৱাৰত আৰু তেওঁৰ থাকিবলৈ ঠাই নাই। সিন্ধু নৈৰ দাঁতিত আকৌ এখন নতুন ৰাজ্য স্থাপন কৰিব। তথাপি নিজৰ জন্মভূমিক নিজ হাতে লোকক তুলি নিদিয়ে।

প্ৰতাপসিংহ আৰু মেৱাৰৰ প্ৰধান প্ৰধান বীৰসকলে মৰুভূমিৰ দাঁতিত বহি

ভ্ৰিৰাইছে। সকলোৰে চকুত পানী।

*　　*　　*

এতিয়াও ৰিণিকি ৰিণিকি মেৱাৰৰ পৰ্ব্বতশাৰী দেখা গৈছে।—সকলোৰে চকু সেইফালে। কাইলৈৰ পৰাতো আৰু সেই সুন্দৰ পৰ্ব্বতবোৰ দেখিবলৈ নাপায়।– য'ত তেওঁলোকে সৰুতে ধেমালি কৰি ফুৰিছিল, য'ত তেওঁলোকে যুদ্ধ কৰিবলৈ শিকিছিল, যি দেশৰ শস্য খাই তেওঁলোক ইমান ডাঙৰ হ'ল, তাকতো আৰু দেখিবলৈ নাপায়। য'ত তেওঁলোকৰ পিতৃপুৰুষসকলে যুদ্ধ কৰি শত্ৰুক হৰুৱাই থৈ যশ ৰাখি গৈছে সেই ঠাইবোৰতো আৰু দেখিবলৈ নাপায়। নিজে ৰুই ডাঙৰ কৰা সেই গছবোৰ, সৰুতে সাঁতোৰা সেই সৰু পৰ্ব্বতীয়া জানবোৰ, জানবোৰত সাঁতুৰি ফুৰা সেই সৰু মাছবোৰ, সেইবোৰতো আৰু দেখিবলৈ নাপায়।

প্ৰতাপে একেথিৰে একেফালে চাই আছিল। তেওঁৰ মনত আজি সংসাৰৰ সকলো মিছা। উস্, কি ধুনীয়া দেশখন তেওঁ এৰি যাব লগীয়া হ'ল।

প্ৰতাপৰ ওচৰতে আছিল প্ৰতাপৰ কেবা-পুৰুষীয়া মন্ত্ৰী। তেওঁৰ বুঢ়া হাতে তৰোৱাল ধৰি ৰাখিব নোৱাৰে, হাত কঁপি উঠে। কিন্তু প্ৰতাপৰ ওপৰত আছিল তেওঁৰ অগাধ বিশ্বাস আৰু দেশলৈ আছিল তেওঁৰ অসীম মৰম। তেওঁ এবাৰ কেউফালে চালে, তাৰ পিচত লাহে লাহে কবলৈ ধৰিলে, 'ৰাণা, এতিয়াও যুদ্ধৰ উপায় আছে, এতিয়াও দৃৰক। এনে দেশখন লোকক এৰি দিব নোৱাৰি ৰাণা'। প্ৰতাপ চক্ খাই উঠিল। "এনে দেশখন লোকক এৰি দিব নোৱাৰি, কি কৈছে মন্ত্ৰীবৰ? টকা নাই, সৈন্য নাই, যুদ্ধৰ সজুলি গোটাবৰ উপায় নাই, যুদ্ধ আৰু

কেনেকৈ হব পাৰে মন্ত্ৰী ডাঙৰীয়া ?” কথা-কিষাৰ কঁওতে ৰাণাৰ চকুৰ পৰা তপ্‌তপ্‌কৈ পানী পৰিবলৈ ধৰিলে । বুঢ়া মন্ত্ৰীয়ে তেতিয়া কৈ যাবলৈ থৰিলে, ৰাণা, এই বুঢ়াই বহুত দিন মন্ত্ৰীত্ব কৰিলে । এই বুঢ়াৰ পূৰ্ব্বপুৰুষ-সকলেও এই ভাৰ পাই আহিছে । মেৱাৰ আইৰ কৃপাত গোটেই মেৱাৰৰ ভিতৰত এই বুঢ়াৰ বংশৰ সমান টকাও বৰ বেচিৰ নাই । আজি সেই সকলো অৰ্থ আপোনাৰ হাতত অৰ্পণ কৰিলো । সেই সুন্দৰ দেশখন এৰি যাব নোৱাৰি ৰাণা ।—আকৌ এবাৰ চেষ্টা কৰি চক ।” মন্ত্ৰীৰ কথা শুনি প্ৰতাপ অলপ-পৰ কিবা ভাবি বৈ থাকিল, তাৰ পিচত কলে, কিন্তু মন্ত্ৰীবৰ এই ঋণতো মই সোন-কালে পৰিশোধ কৰিব নোৱাৰিম । মন্ত্ৰীৰ মুখত তেতিয়া এটি স্বৰ্গীয় হাঁহি ফুটি উঠি-চিল ; কলে, কিন্তু সেই টকাতো মই

আপোনাক দিয়া নাই ৰাণা ; সেই টকা মই দিছোঁ মোৰ মেৱাৰ আইকহে । এই বেজাৰৰ মাজতো প্ৰতাপে হাঁহি পেলালে । কলে, মন্ত্ৰীবৰ, আপোনাৰ নিচিনা স্বদেশ-প্ৰেমিক যি দেশত, সি দেশ পৰাধীন নহয়— মই আকৌ এবাৰ চেষ্টা কৰি চাম—দেহ, মন, প্ৰাণ সকলো দি চেষ্টা কৰি চাম— মেৱাৰ আইক ৰক্ষা কৰিব পাৰিনে নোৱাৰে ।

প্ৰতাপৰ এই চেষ্টাৰ কথা ইতিহাসত সোণালি আখৰেৰে লিখা আছে । প্ৰতাপ সিংহবিক্ৰমেৰে গৈ শত্ৰুসেনাৰ ওপৰত পৰিবলৈ ধৰিলে । শত্ৰুসৈন্যক হুকুৱাই নিবলৈ ধৰিলে, শত্ৰুৱে জয় কৰা ঠাইবোৰ নিজৰ দখললৈ আনিবলৈ ধৰিলে । শত্ৰুসৈন্য মাথোঁ অবাক হৈ চাই থাকিল ।—পৰ্ব্বতীয়া জান-বোৰক ভেটা দি ৰাখিব নোৱাৰাদি প্ৰতাপৰ সেই অদমনীয় বেগক বাধা দি ৰখোৱা

শক্তি বাদছাহৰ সৈন্যৰ আৰু নহল।

দুৰ্গৰ পিচত দুৰ্গ প্ৰতাপৰ হাতলৈ আহিবলৈ ধৰিলে। নগৰৰ পিচত নগৰ, চহৰৰ পিচত চহৰ প্ৰতাপে জয় কৰি যাবলৈ ধৰিলে। বাদছাহৰ সেনাপতিবোৰ হাৰি পলাবলৈ ধৰিলে, নহলে প্ৰতাপৰ হাতত মৰিবলৈ ধৰিলে। শেহত চিতোৰৰ বাহিৰে আৰু বাদছাহৰ হাতত এডোখৰ ঠায়ো নাথাকিল। আকবৰ অবাক হৈ চাই থাকিল—আকবৰৰ সেনাপতিবোৰ নিৰাশ হৈ বহিপৰিল—কাৰো আৰু সাধ্য নহল প্ৰতাপক বাধা দিয়ে। তেতিয়া বহুত দিনৰ মূৰত মেৱাৰৰ চাৰণবোৰে আনন্দত আকৌ গাবলৈ ধৰিলে ঃ—

উঠক মেৱাৰ নব জাগৰণে, লভক মেৱাৰে নতুন প্ৰাণ ;

সাবটি ধৰ্ম্ম ত্যজি অধৰ্ম্ম তোলক ভ্ৰাতৃ ভাবৰ তান ;

স্তম্ভিত কৰি বিশ্বমানব কণ্ঠে দিয়ক জগতখন
আই, আই বুলি ধৰা, হেৰা ভাই, জনমভূমিৰ
মহান গান ।

পোষ্কৰ

"চিতোৰৰ ফালে আগবাঢ়া—চিতোৰৰ ফালে আগবাঢ়া। নোৱাৰিলা ?—নোৱাৰিলা ?—উস্ !"

প্ৰতাপ মৃত্যু শয্যাত পৰি আছে ; মাজে মাজে প্ৰলাপ বকিছে। সুখ-দুখৰ ভাগী সৈন্য-সামন্তবোৰ বেজাৰ মনেৰে ওচৰতে থিয় দি আছেহি। বৰপুত্ৰেক অমৰসিংহই ভৰিত হাত ফুৰাই আছিল—বাপেকক প্ৰলাপ বকা শুনি কান্দি বাপেকৰ ভৰিৰ মাজত মুখ লুকালে। প্ৰতাপে প্ৰলাপ বকি যাবলৈ ধৰিলে, "চিতোৰখন, সেই—চিতোৰখন, মোৰ পিতাৰ ৰাজধানী আছিল। পিতাক সিহঁতে খেদি দিলে। পিতাই একো কৰিব

নোৱাৰিলে।” তাৰ পিচত থোকাথুকিকৈ কৈ যাবলৈ ধৰিলে—“মই যত্ন কৰিলো মই নোৱাৰিলো। তয় পাৰিবিনে অমৰ,—তয়?” অমৰে তেতিয়াও বাপেকৰ ভৰি তিয়াই কান্দিয়েই আছিল। এই কথাষাৰ প্ৰলাপত কোৱানে জ্ঞানত কোৱা ঠিক ধৰিব নোৱাৰিলে; কিন্তু তেওঁৰ বুজিবলৈ বাকী নেথাকিল, কি এটা ডাঙৰ বেজাৰ লৈয়েই তেওঁৰ বাপেক মৰিবলৈ ওলাইছে। তেওঁ চিঞঁৰি উঠিল, মই চেষ্টা কৰিম পিতা;—মই কৰিম।

প্ৰতাপৰ বোধ হয় অলপবেলিলৈ জ্ঞান আহিছিল, কলে, “কৰিবি?” অমৰে কলে, “কৰিম।”

প্ৰতাপৰ মুখত ইমানবেলি এটা বেজাৰৰ ভাব আছিল। এতিয়া হঠাৎ এটি হাঁহি ফুটি উঠিল, কলে, “সোণ, কৰিবি।”

কিন্তু ইয়াৰ পিচত আৰু কথা নোলাল,

কেইমুহূৰ্ত্তমানৰ পিচতে সকলো শেষ হৈ গ'ল।

অমৰে তেতিয়া স্থিৰ হৈ আকাশৰ ফালে চাই আছিল। তেওঁৰ কাণত তেতিয়া কেবল বাজিছিল, বাপেকে প্ৰলাপত বকা "চিতোৰৰ ফালে আগবাঢ়া" কথাষাৰ।—তেওঁ তেতিয়া কেবল ভাবিছিল তেওঁ কেতিয়া তেওঁৰ সৈন্যবোৰক হুকুম দিব পাৰিব "চিতোৰৰ ফালে আগবাঢ়া।" বাপেকে যে তেওঁক চিৰকাললৈ এৰি থৈ গৈছে তাকো তেওঁ তেতিয়া কব নোৱাৰিছিল।

কিন্তু তেনেতে সামন্ত এজনে মাত লগালে—কুমাৰ, ৰাণাক সেৱা কৰি লক। তেওঁকতো আৰু নাপাব নহলে।

অমৰে প্ৰথমতে সামন্তজনৰ ফালে অবাক হৈ চাই আছিল; যেন এটা অদ্ভুত কথাহে কোনোবাই কলেহি। তাৰ পিচত যেতিয়া

PLEASE HANDLE THE BOOK CAREFULL

বুজিব পাৰিলে কিটো হৈছে আচাৰ খাই বাপেকৰ ওপৰত পৰি গ'ল। তেওঁৰ তেতিয়া লাগিল যেন আকাশৰ তৰাবোৰ খহি পৰিছে, তেওঁৰ ভৰিৰ তলৰ মাটিডোখৰ যেন তলৈ বহি গৈছে, তেওঁৰ চকুৰ আগত যেন হাজাৰ হাজাৰ জুইৰ ফিৰিঙতি উৰি ফুৰিছে। তেওঁ মাথোঁ বলিয়াৰ দৰে চিএঁৰিবলৈ ধৰিলে—"সামন্তসকল, চিতোৰৰ কালে আগবাঢ়িব লাগিব, চিতোৰৰ কালে আগবাঢ়িব লাগিব :—পিতাৰ শেষ হুকুম। মোৰ মৰমৰ পিতাৰ শেষ আদেশ।"

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

মুদ্ৰাকৰ আৰু প্ৰকাশক---শ্ৰীপ্ৰতাপচন্দ্ৰ তালুকদাৰ,
দি এচিয়াটিক প্ৰিণ্টিং ওৱৰ্কস, যোৰহাট